UG AS S6 03

(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি বি চি এচ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

অসমীয়া গদ্য– ১

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপক (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° বিমল মজুমদাৰ, অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ড° অনুৰাধা শর্মা, অধ্যাপক, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী :

ড° মৃণাল জ্যোতি গোস্বামী, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	লেখক
১, ৪, ১৩	নীহাৰিকা গগৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
২, ৩	ড° কনেশ্বৰ বৰুৱা, গোসাঁইগাওঁ মহাবিদ্যালয়
	নীহাৰিকা গগৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৫, ৬, ৭, ৮, ১৪	ড° জোনমণি গগৈ, কৃষ্ণ ৰৰা বিএড কলেজ
	ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯-১০	নীহাৰিকা গগৈ
১১	ড° ধীৰাজ পাটৰ, নর্থ লখিমপুৰ বিশ্ববিদ্যালয়
১২	ড° মৃণাল জ্যোতি গোস্বামী
	নীহাৰিকা গগৈ

সম্পাদনাঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা : **ড° প্রাণজিৎ বৰা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনাঃ **নীহাৰিকা গগৈ,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non-Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

ISBN:

জুন, ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত

মুখ্য কার্যালয়ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী- ৭৮১ ০১৭

নগৰ চৌহদঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী ৭৮১ ০২২

বিষয়সূচী

অধ্যায় **পৃষ্ঠা**

অধ্যায় ১ : অসমীয়া গদ্য সাহিত্যৰ ইতিহাস : পুৰণি ভাগ **৭ - ২৪**
অসমীয়া গদ্য সাহিত্যৰ ইতিহাস, ধাৰা

অধ্যায় ২ : গদ্যকাৰ বৈকুণ্ঠনাথ ভট্টাচার্য **২৫ - ৩৮**
ভট্টদেৱ : জীৱন আৰু কৃতি; ভট্টদেৱৰ গদ্যৰীতি, অসমীয়া গদ্য সাহিত্যত ভট্টদেৱৰ স্থান

অধ্যায় ৩ : বৈকুণ্ঠনাথ ভট্টাচার্য – বিশ্বৰূপ দর্শন **৩৯ - ৪৯**
বিশ্বৰূপ দর্শন : মূল পাঠ, মূল পাঠৰ বিষয়বস্তু

অধ্যায় ৪ : গোপালচৰণ দ্বিজ– গুৰু সেৱা মাহাত্ম্য (শ্রীভক্তি-ৰত্নাকৰ-কথা, প্রথম মাহাত্ম্য) **৫০ - ৬০**
গোপালচৰণ দ্বিজ : জীৱন আৰু কৃতি; গুৰু সেৱা মাহাত্ম্য : মূল পাঠ,
সাধাৰণ আলোচনা, গদ্য শৈলী

অধ্যায় ৫ : গদ্যকাৰ ৰঘুনাথ মহন্ত **৬১ - ৭১**
ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতি : ৰঘুনাথ মহন্তৰ গদ্যৰীতি
অসমীয়া গদ্য সাহিত্যত মহন্তৰ স্থান

অধ্যায় ৬ : ৰঘুনাথ মহন্ত – ৰামৰ বন-গমন **৭২ - ৮২**
ৰামৰ বন-গমন : মূল পাঠ, সাধাৰণ আলোচনা

অধ্যায় ৭ : চৰিত পুথিৰ গদ্য (গুৰু-চৰিত-কথাৰ বিশেষ উল্লিখনসহ) **৮৩ - ৯২**
চৰিত পুথি আৰু গুৰু-চৰিত-কথা; গুৰু-চৰিত-কথা : বিষয়বস্তুৰ আলোচনা,
গুৰু-চৰিত-কথাৰ গদ্যৰীতি

অধ্যায় ৮ : গুৰু-চৰিত-কথা (মহেশ্বৰ নেওগ সম্পাদিত) **৯৩ - ১০১**
গুৰু-চৰিত-কথা : ৩৬নং দফাৰ পৰা ৮৫নং দফালৈ মুল পাঠ, সাধাৰণ আলোচনা

অধ্যায় ৯ : বুৰঞ্জীৰ গদ্য **১০২ - ১১৩**

বুৰঞ্জী সাহিত্যৰ গদ্যশৈলী : সাধাৰণ আলোচনা

অধ্যায় ১০ : স্বৰ্গদেৱ ৰুদ্রসিংহ **১১৪ - ১২৭**

তুংখুঙীয়া বুৰঞ্জীৰ সাধাৰণ পৰিচয়; স্বৰ্গদেৱ ৰুদ্রসিংহ : মূল পাঠ, শব্দ অর্থ, সাধাৰণ আলোচনা, গদ্যৰ বৈশিষ্ট্য

অধ্যায় ১১ : ত্রিপুৰা দৰবাৰত অসমীয়া কটকী **১২৮ - ১৩৮**

ত্রিপুৰা বুৰঞ্জী : সম্পাদকৰ পৰিচিতি, লেখকদ্বয়ৰ পৰিচিতি; ত্রিপুৰাৰ দৰবাৰত অসমীয়া কটকী : মূল পাঠ, শব্দ অর্থ, পাঠটোৰ সাধাৰণ আলোচনা, গদ্যশৈলী

অধ্যায় ১২ : ব্যৱহাৰিক সাহিত্যৰ গদ্য আৰু পাঠ (হস্তিবিদ্যার্ণৱ পুথিৰ পৰা) **১৩৯ - ১৫৩**

ব্যৱহাৰিক সাহিত্যৰ গদ্যৰ চমু পৰিচয় : হস্তিবিদ্যার্ণৱ পুথিখনৰ সাধাৰণ পৰিচয়; মূল পাঠ (হস্তিৰ জন্মকথা, দতাল হাতিৰ লক্ষণ) : সাধাৰণ আলোচনা, গদ্য শৈলী

অধ্যায় ১৩ : প্রাক্-অৰুনোদয় আৰু অৰুনোদয় কালৰ গদ্য **১৫৪ - ১৭৯**

প্রাক্-অৰুনোদয় আৰু অৰুনোদয় কালৰ গদ্যৰ সাধাৰণ পৰিচয়; বৈশিষ্ট্য

অধ্যায় ১৪ : "সভ্য হবলৈ নিবেদন" আৰু "নম্রতাই জ্ঞানৰ ফল"
(*অৰুনোদইৰ ধলফাট* পুথিৰ পৰা) **১৮০ - ১৯৫**

পাঠ দুটিৰ উৎস আৰু আলোচনা : মূল পাঠ – "সভ্য হবলৈ নিৱেদন" আৰু "নম্রতাই জ্ঞানৰ ফল", লেখা দুটিৰ সাধাৰণ আলোচনা

প্রসংগপুথি **১৯৬ - ১৯৯**

পাঠ্যবিষয়ৰ পৰিচয় : অসমীয়া গদ্য– ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ২০২৩ বর্ষৰ পৰা চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম (চি.বি.চি.এচ.; এন.ই.পি-২০২০ অনুসৰি) আগবঢ়াবই আছে। এই স্নাতক পাঠ্যক্রমত অসমীয়া বিষয়টি বুনিয়াদী আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপেও প্রদান কৰা হৈছে। বুনিয়াদী বিষয় হিচাপে অধ্যয়ন কৰিব বিচৰাসকলে আঠটা ষাণ্মাসিকত মুঠ ২০ খন আৰু বিষয় সম্পৰ্কীয় ঐচ্ছিক পাঠ্যবিষয় হিচাপে অধ্যয়ন কৰিলে মুঠ ৮ খন পাঠ্যবিষয় অধ্যয়ন কৰিব লাগিব। এই পাঠ্যবিষয়টি প্রধান অসমীয়াৰ ষষ্ঠ ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয় হিচাপে প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম “অসমীয়া গদ্য– ১”। পাঠ্যবিষয়টিৰ নামকৰণেই আপোনাক নিশ্চয় ধাৰণা প্রদান কৰিছে যে, পাঠ্যবিষয়টিত অসমীয়া গদ্য সাহিত্যৰ লগত সম্পৰ্কীত। শংকৰদেৱৰ হাতেতেই জন্ম হোৱা লয়যুক্ত অসমীয়া গদ্যই বিভিন্ন স্তৰৰ মাজেদি আহি বর্তমান অৱস্থা পাইছেহি। এই ক্রমবিকাশৰ ধাৰটোক বুজিবৰ বাবেই বিশ্ববিদ্যালয়ে প্রদান কৰা স্নাতক পাঠ্যক্রমত দুখন পাঠ্যবিষয় অন্তর্ভুক্ত কৰা হৈছে। এই প্রথমখন পাঠ্যবিষয়ত মুঠ ১৪ টা অধ্যায়ত আৰম্ভণিৰ পৰা অৰুনোদয় কাললৈকে গদ্যৰ ক্রমবিকাশৰ ধাৰাৰ লগত আপোনাক পৰিচয় কৰি দিয়াৰ লগতে কেইটিমান নির্বাচিত পাঠ অধ্যয়নৰ বাবে নির্বাচন কৰি দিয়া হৈছে। তাৰ মাজেদি আপুনি অসমীয়া গদ্যৰ বিকাশৰ ধাৰটো অৱগত হ’ব। পৰৱর্তী পাঠ্যবিষয়ত আধুনিক অসমীয়া গদ্যৰ ক্রমবিকাশ সম্পর্কে আলোচনা কৰা হ’ব।

পাঠ্যবিষয়টিৰ প্রথম অধ্যায়ত অসমীয়া গদ্য সাহিত্যৰ পুৰণি ভাগৰ ইতিহাস আৰু ধাৰা সম্পর্কে সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। এই অধ্যায়ৰ জৰিয়তে আপুনি অসমীয়া গদ্যৰ উৎপত্তি, বিকাশৰ প্রাথমিক স্তৰ আৰু পুৰণি অসমীয়া গদ্যৰ প্রধান বৈশিষ্ট্যসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব। দ্বিতীয় অধ্যায়ত অসমীয়া গদ্য সাহিত্যৰ জনক হিচাপে পৰিগণিত বৈকুণ্ঠনাথ ভট্টাচার্য বা ভট্টদেৱৰ জীৱন আৰু কৃতি, ভট্টদেৱৰ গদ্যৰীতি আৰু অসমীয়া গদ্য সাহিত্যত তেওঁৰ স্থান সম্পর্কে আলোচনা কৰা হৈছে। ইয়াৰ পিছত তৃতীয় অধ্যায়ত ভট্টদেৱৰ *কথাগীতা*ৰ পৰা চয়ন কৰি অনা “বিশ্বৰূপ দর্শন” পাঠটোৰ মূল পাঠ, বিষয়বস্তু আৰু গদ্যশৈলী সম্পর্কে আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়ত গোপালচৰণ দ্বিজৰ জীৱন আৰু কৃতিৰ পৰিচয় দিয়া হৈছে আৰু তেওঁৰ *শ্রীভক্তি-ৰত্নাকৰ-কথা*ৰ প্রথম মাহাত্ম্যৰ পৰা নির্বাচিত ‘গুৰু সেৱা মাহাত্ম্য” পাঠটোৰ মূল পাঠ, সাধাৰণ আলোচনা আৰু গদ্যশৈলী বিশ্লেষণ কৰা হৈছে। পঞ্চম অধ্যায়ত গদ্যকাৰ ৰঘুনাথ মহন্তৰ জীৱন, সাহিত্যকৃতি, গদ্যৰীতি আৰু অসমীয়া গদ্য সাহিত্যত তেওঁৰ স্থান সম্পর্কে আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায়ত ৰঘুনাথ মহন্তৰ গদ্যত ৰচিত অসমীয়া *কথা ৰামায়ণ*ৰ পৰা নির্বাচিত ‘ৰামৰ বন-গমন’ পাঠটোৰ মূল পাঠ আৰু সাধাৰণ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। গদ্যত ৰচিত এই কথা *ৰামায়ণ*খন অসমীয়া সাহিত্যৰ লগতে সর্বভাৰতীয় পর্যায়তো গদ্য *ৰামায়ণ*ৰ এক উল্লেখযোগ্য নিদর্শন হিচাপে বিবেচিত।

সপ্তম অধ্যায়ত চৰিত পুথিৰ গদ্য সম্পর্কে আলোচনা কৰা হৈছে। বিশেষভাৱে *গুৰু-চৰিত-কথা*ৰ বিষয়বস্তু, গদ্যৰীতি আৰু অসমীয়া চৰিত পুথিৰ গদ্যধাৰাত ইয়াৰ গুৰুত্ব এই অধ্যায়ত ব্যাখ্যা কৰা হৈছে। অষ্টম অধ্যায়ত মহেশ্বৰ নেওগ সম্পাদিত গুৰু-চৰিত-কথাৰ ৩৬ নং দফাৰ পৰা ৮৫ নং দফালৈ নির্বাচিত অংশ মূল পাঠৰূপে অধ্যয়ন কৰা হৈছে আৰু সেই পাঠৰ সাধাৰণ আলোচনা আগবঢ়োৱা হৈছে। এই দুয়োটা অধ্যায়ৰ জৰিয়তে আপুনি অসমীয়া চৰিত সাহিত্যৰ গদ্যৰূপ, ভাষা, বর্ণনাৰীতি আৰু ঐতিহাসিক-সাংস্কৃতিক মূল্য সম্পর্কে জানিব পাৰিব।

নৱম অধ্যায়ত বুৰঞ্জী সাহিত্যৰ গদ্যশৈলী সম্পর্কে সাধাৰণ আলোচনা কৰা হৈছে। বুৰঞ্জীসমূহ কেৱল ইতিহাসৰ তথ্যভাণ্ডাৰ নহয়, অসমীয়া গদ্যৰ বিকাশতো ইয়াৰ বিশেষ ভূমিকা আছে। দশম অধ্যায়ত *তুংখুঙীয়া বুৰঞ্জী*ৰ সাধাৰণ পৰিচয়ৰ লগতে 'স্বর্গদেৱ ৰুদ্রসিংহ" পাঠটোৰ মূল পাঠ, শব্দার্থ, সাধাৰণ আলোচনা আৰু গদ্যৰ বৈশিষ্ট্য বিশ্লেষণ কৰা হৈছে। একাদশ অধ্যায়ত *ত্রিপুৰা বুৰঞ্জী*ৰ পৰা নির্বাচিত 'ত্রিপুৰা দৰবাৰত অসমীয়া কটকী" পাঠটোৰ সম্পাদক, লেখকদ্বয়, মূল পাঠ, শব্দার্থ, বিষয়বস্তু আৰু গদ্যশৈলী সম্পর্কে আলোচনা কৰা হৈছে। এই অধ্যায়সমূহে আপোনাক শংকৰোত্তৰ কালৰ ঐতিহাসিক গদ্যৰ ধাৰা আৰু বুৰঞ্জী গদ্যৰ বৈশিষ্ট্য বুজাত সহায় কৰিব।

মধ্যযুগৰ অসমীয়া সাহিত্যত বিশেষ স্থান অধিকাৰ কৰি আছে ব্যৱহাৰিক সাহিত্যসমূহে। দ্বাদশ অধ্যায়ত ব্যৱহাৰিক সাহিত্যৰ গদ্য সম্পর্কে আলোচনা কৰা হৈছে। ইয়াত *হস্তিবিদ্যার্ণৱ* পুথিৰ সাধাৰণ পৰিচয় দিয়া হৈছে আৰু পুথিখনৰ পৰা 'হস্তিৰ জন্মকথা" আৰু 'দতাল হাতিৰ লক্ষণ" শীর্ষক নির্বাচিত অংশসমূহ মূল পাঠ হিচাপে অন্তর্ভুক্ত কৰা হৈছে। এই পাঠসমূহৰ সাধাৰণ আলোচনা আৰু গদ্যশৈলীৰ বিশ্লেষণৰ জৰিয়তে আপুনি ব্যৱহাৰিক জ্ঞান, লোকজ অভিজ্ঞতা আৰু বিষয়ভিত্তিক গদ্যৰ এক বিশেষ ধাৰাৰ সৈতে পৰিচিত হ' ব। ত্রয়োদশ অধ্যায়ত প্রাক্-অৰুনোদয় আৰু অৰুনোদয় কালৰ গদ্যৰ সাধাৰণ পৰিচয় আৰু বৈশিষ্ট্য আলোচনা কৰা হৈছে। এই অধ্যায়ত পুৰণি গদ্যৰ পৰা আধুনিক গদ্যলৈ অহা পৰিৱর্তনৰ দিশসমূহ বুজিবলৈ সুবিধা হ' ব।

চতুর্দশ অধ্যায়ত *অৰুনোদইৰ ধলফাট* পুথিৰ পৰা নির্বাচিত 'সভ্য হবলৈ নিবেদন" আৰু 'নম্রতাই জ্ঞানৰ ফল" পাঠ দুটাৰ উৎস, মূল পাঠ আৰু সাধাৰণ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। এই দুয়োটা পাঠ *অৰুনোদই* আলোচনীত প্রকাশিত অসমীয়া গদ্যৰ উল্লেখযোগ্য নিদর্শন। ১৮৪৬ খ্রীষ্টাব্দত প্রকাশ পোৱা অৰুনোদই আলোচনীক আধাৰ হিচাপে লৈ অসমীয়া সাহিত্যত যি নতুন যুগৰ সূচনা হৈছিল, সেই যুগটোক অৰুণোদয় যুগ বুলি জনা যায়। আধুনিক অসমীয়া গদ্যৰ উক্মুকনি এই সময়তে দেখা যায়। সেয়েহে এই অধ্যায়টিৰ জৰিয়তে আপুনি পুৰণি অসমীয়া গদ্যৰ পৰা আধুনিক অসমীয়া গদ্যলৈ হোৱা ৰূপান্তৰৰ এক গুৰুত্বপূর্ণ পর্যায় সম্পর্কে অৱগত হ' ব।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে – "জানি থোৱা ভাল" বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক"সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, "অগ্রগতি নিৰীক্ষণ" যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া "অগ্রগতিৰ খতিয়ান"ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে "অধিক জানিবলৈ" শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত "আৰ্হি প্রশ্ন" হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। একেবাৰে শেষত "প্রসঙ্গ পুথি"ত যি কেইখন পুথিৰ সহায়ে�ৰেই মূলতঃ এই পাঠ্যক্রমৰ অধ্যায়সমূহ প্রস্তুত কৰা হৈছে সেয়া একে লগে সন্নিৱিষ্ট কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন পুথি অধ্যয়ন কৰিব পাৰিব।